# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-05-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী দুটা পৰ্যায়ৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান পূৰ্ণ গতিত অব্যাহত। ষষ্ঠ পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি সামৰণি।

২। প্ৰচণ্ড গৰমৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বহুকেইখন জিলাৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচীৰ সালসলনি।

৩। দেশৰ ভিন্ন প্ৰান্তৰ লগতে অসমতো আজি বুদ্ধ পূৰ্ণিমা পালন। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, ৰাজ্যপালৰ দেশবাসীলৈ শুভেচ্ছা।

৪। ৰাজ্যত কালিৰে পৰা কনকলতা বৰুৱা ছিনিয়ৰ আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতা।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলত কালি ৰাজস্থান ৰয়েলছৰ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে ৪ উইকেটত জয়লাভ।

0000000

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিব। প্ৰচাৰৰ সামৰণিৰ ক্ষণ চমু চাপি অহাৰ লগে লগে প্ৰধান প্ৰধান ৰাজনৈতিক দলৰ নেতাসকলে ষষ্ঠ পৰ্যায়ত সামৰি ল'বলগীয়া সমষ্টিসমূহৰ ভোটদাতাৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলোৱা পৰিলক্ষিত হৈছে। ইফালে, লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবেও প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। ২৫ মে'ত আৰু ১ জুনত ষষ্ঠ আৰু সপ্তম পৰ্যায়ত ৫৭ টাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি হাৰিয়ানাৰ ভিৱানী-মহেন্দ্ৰগড়ত দলৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে পাঞ্জাবৰ পাটিয়ালা চহৰতো নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব।

দিল্লীতো লোকসভা নিৰ্বাচনৰ প্ৰচাৰ তুংগত উঠিছে। দিল্লীৰ সাতোখন আসনৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। দিল্লীৰ আটাইকেইটা সমষ্টিৰ বাবে ষষ্ঠ পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৰাজনৈতিক দলসমূহে ৰোড শ্ব', নিৰ্বাচনী সভা আৰু ঘৰে ঘৰে গৈ চলোৱা প্ৰচাৰৰ জৰিয়তে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে। বিজেপি, আম আদমী পাৰ্টি আৰু কংগ্ৰেছৰ ভালেকেইগৰাকী আগশাৰীৰ নেতা আৰু তাৰকা প্ৰচাৰকে আজি দিল্লীৰ বিভিন্ন অংশত প্ৰচাৰত ভাগ ল'ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, পীয়ুষ গোৱেল, স্মৃতি ইৰাণী, উত্তৰাখণ্ড আৰু ৰাজস্থানৰ মুখ্যমন্ত্ৰীয়ে দলৰ হকে বিভিন্ন স্থানত নিৰ্বাচনী সভা আৰু ৰোড শ্ব'ত অংশ ল'ব। ইফালে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি মংগোলপুৰী আৰু সীমাপুৰীত নিৰ্বাচনী সভাত ভাষণ দিব। আম আদমী পাৰ্টীৰ শীৰ্ষ নেতাসকলেও দলীয় প্ৰাৰ্থীৰ হকে ৰোড শ্ব'ত ভাগ ল'ব।

ওড়িশাতো ষষ্ঠ পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ৬টা লোকসভা আৰু ৪২টা বিধানসভা সমষ্টিৰ বাবে প্ৰচাৰ পূৰ্ণ গতিত অব্যাহত আছে।

0000000000

সপ্তম পৰ্যায়ত অহা ১ জুনত দেশৰ ৮খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা অনুসৰি এই পৰ্যায়ৰ বাবে ২ হাজাৰ ১০৫ খন মনোনয়ন দাখিল কৰা হৈছিল। পৰীক্ষাৰ অন্তত ৯৫৪ খন মনোনয়ন বৈধ বুলি বিবেচিত হৈছিল। সপ্তম তথা অন্তিম পৰ্যায়ত উত্তৰ প্ৰদেশ আৰু পঞ্জাৱৰ ১৩ খনকৈ আসনৰ লগতে পশ্চিমবংগৰ ৯খন, বিহাৰৰ ৮, ওড়িশাৰ ৬, হিমাচল প্ৰদেশৰ ৪, ঝাৰখণ্ডৰ ৩ আৰু কেন্দ্ৰীয়শাসিত অঞ্চল চণ্ডীগড়ৰ এখন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

00000000

ৰাজ্যখনত বিগত কিছুদিন ধৰি অব্যাহত থকা গ্ৰীষ্ম প্ৰবাহৰ পৰিপ্ৰেক্ষিতত কেইবাখনো জিলা প্ৰশাসনে ছাত্ৰ-ছাত্ৰীসকলক সকাহ দিয়াৰ উদ্দেশ্যে বিদ্যালয়ৰ পাঠদানৰ সময় কিছু সাল-সলনি কৰাৰ বাবে কৰ্তৃপক্ষসমূহলৈ নিৰ্দেশ জাৰি কৰিছে।

**গোলাঘাট** জিলা প্ৰশাসনে অহা শনিবাৰৰ পৰা জিলাখনৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী সলনি কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। জিলাখনৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে শ্ৰেণীসমূহৰ পাঠদান পুৱা ৮ বজাৰ পৰা আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছে। তদুপৰি বিদ্যালয়সমূহৰ প্ৰাৰ্থনাসভা পুৱা ৮ বজাত অনুষ্ঠিত কৰিবলৈও নিৰ্দেশ দিয়া হৈছে। নিৰ্দেশনাত উল্লেখ থকা অনুসৰি নিম্ন প্ৰাথমিক শ্ৰেণীসমূহ চাৰে ১২ বজালৈ, মধ্য প্ৰাথমিক শ্ৰেণীসমূহ দিনৰ ১ বজালৈ তথা উচ্চ আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীসমূহ দিনৰ ডেৰ বজালৈ অনুষ্ঠিত কৰাৰ বাবে অনুমতি দিয়া হৈছে।

প্ৰচণ্ড গৰমৰ বাবে **যোৰহাট** জিলাৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী সলনি কৰা হৈছে। সেই অনুসৰি অহা ১ জুনৰ পৰা প্ৰতিখন বিদ্যালয়ৰ পাঠদান পুৱা ৮ বজাত আৰম্ভ কৰা হ'ব। আনহাতে, প্ৰাথমিক পৰ্যায়ত চাৰে ১২ বজালৈ, মধ্য প্ৰাথমিকত ১ বজালৈ, উচ্চ আৰু উচ্চ মাধ্যমিক পৰ্যায়ত দেৰ বজালৈ পাঠদান চলিব।

**লখিমপুৰ** জিলা প্ৰশাসনেও গ্ৰীষ্ম প্ৰৱাহৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনত বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচীত সাল-সলনি ঘটাইছে। জিলা আয়ুক্তই জাৰি কৰা নিৰ্দেশনামৰ্মে আজিৰপৰা নতুন সময় কাৰ্যকৰী কৰা হৈছে। এই অনুসৰি বিদ্যালয়সমূহৰ নিম্ন প্ৰাথমিক শ্ৰেণীসমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ ১২ বজালৈ অনুষ্ঠিত কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰা হৈছে। তদুপৰি মধ্য আৰু উচ্চ প্ৰাথমিক শ্ৰেণীসমূহত পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ চাৰে ১২ বজালৈ তথা মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীসমূহত পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ ১ বজালৈ পাঠদান কৰা হ'ব।

নগাওঁ জিলাৰ শিক্ষানুষ্ঠানসমূহতো পাঠদানৰ সময়সূচী সাল-সলনি কৰা হৈছে। জিলাখনৰ বিদ্যালয় পৰিদৰ্শকে জাৰি কৰা নিৰ্দেশমৰ্মে আজিৰপৰা প্ৰাথমিক বিদ্যালয়ৰ পাঠদান পুৱা ৮ বজাৰ পৰা দিনৰ চাৰে ১২ বজালৈ, মধ্য ইংৰাজী বিদ্যালয়ৰ পাঠদান দিনৰ ১ বজালৈ আৰু উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদান দিনৰ ডেৰ বজালৈ কৰা হ'ব। পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত এই সময়সূচী অব্যাহত থাকিব বুলি কোৱা হৈছে।

ইপিনে, **কামৰূপ মহানগৰ** জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ে গৰমৰ প্ৰকোপ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষানুষ্ঠানসমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি পুৱাৰ সমাবেশ মুকলি ঠাইৰ পৰিৱৰ্তে শ্ৰেণীকোঠা বা বাৰাণ্ডাত কৰিবলৈ কোৱা হৈছে। তদুপৰি শিশুসকলক পৰ্যাপ্ত পানী সেৱন কৰিব পৰাকৈ প্ৰতিদিনে ৩ বাৰকৈ পানী খোৱা ছুটিৰ বেল বজাবলৈ নিৰ্দেশ দিয়া হৈছে।

0000

খাদ্য সুৰক্ষা বিভাগে কালি গুৱাহাটী মহানগৰীৰ ফাঁচী বজাৰত কাৰ্বাইডযুক্ত ফলৰ বিৰুদ্ধে অভিযান চলায়। জ্যেষ্ঠ খাদ্য সুৰক্ষা বিষয়াৰ নেতৃত্বত এটা দলে কৃত্ৰিমভাৱে পকোৱা আম বিচাৰি ফাঁচী বজাৰৰ প্ৰায় প্ৰতিখন ফলৰ দোকানত অভিযান চলায়। এই অভিযানত কাৰ্বাইড ব্যৱহাৰ কৰা প্ৰায় এক কুইণ্টল আম দলটোৱে নষ্ট কৰে। তদুপৰি দলটোৱে বিক্ৰী কৰা আমৰ নমুনা সংগ্ৰহ কৰি কাৰ্বাইডৰ উপস্থিতি পৰীক্ষাৰ বাবে পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰিছে। এই সন্দৰ্ভত ৰাজ্যিক নডেল বিষয়া অনিল শৰ্মাই জনাই যে কাৰ্বাইডৰ পৰীক্ষাৰ ফলাফলৰ ওপৰত ভিত্তি কৰি পৰৱৰ্তী

পৰ্যায়ত আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে খাদ্য সুৰক্ষা আৰু মান আইন ২০১১ অনুসৰি ফল-মূলত ৰাসায়নিক দ্ৰব্য তথা গেছ ব্যৱহাৰ কৰি বজাৰত বিক্ৰী কৰাটো অবৈধ হিচাপে বিবেচনা কৰা হয়।

oooooooo

দেশৰ ভিন্ন প্ৰান্তৰ লগতে ৰাজ্যত আজি বুদ্ধদেৱৰ জন্মবাৰ্ষিকী উপলক্ষে বুদ্ধ পূৰ্ণিমা পালন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়া আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দেশবাসীক ওলগ জনাইছে।

ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা বাৰ্তাত কয় যে, গৌতম বুদ্ধই মানৱ জাতি আৰু সকলো জীৱৰ প্ৰতি সত্য, অহিংসা, সম্প্ৰীতি আৰু মৰম ভালপোৱাৰ বাৰ্তা দি থৈ গৈছে। তেওঁ কয় যে, বুদ্ধদেৱৰ সহিষ্ণুতা, আত্মসজাগতা আৰু সু-আচৰণৰ শিকনিসমূহে সকলোকে মানৱ জাতিৰ সেৱাৰ বাবে উদ্বুদ্ধ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ বাৰ্তাত কয় যে ভগৱান গৌতম বুদ্ধৰ শিকণিসমূহৰ মাজত নৈতিক আচৰণ, মানসিক অনুশাসন আৰু প্ৰজ্ঞাৰ সৈতে সংপৃক্ত জীৱন অনুসৰণৰ ৰূপান্তৰকামী পৰিকল্পনা নিহিত হৈ আছে। শ্ৰীধনখড়ে কয় যে বুদ্ধৰ চতুৰাৰ্য সত্য আৰু অষ্টমাৰ্গৰ তত্বই জনসাধাৰণৰ মৰম, ভালপোৱা, কৰুণা আৰু অহিংসাৰ পথ অনুসৰণ কৰাত সহায় কৰি আহিছে।

ইপিনে ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াইয়ো সমূহ ৰাইজলৈ বুদ্ধ পূৰ্ণিমা উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰী কাটাৰিয়াই তেওঁৰ শুভেচ্ছা বাৰ্তাত কয় যে, বুদ্ধৰ কৰুণা, সত্যৰ পাঠ, অহিংসা, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ শিক্ষা চিৰ প্ৰাসংগিক হৈ থাকিব। সেয়েহে বুদ্ধৰ শিকনিসমূহৰ পৰা অনুপ্ৰেৰণা লৈ ন্যায় আৰু সত্যৰ পথত থাকি সমাজৰ বাবে কাম কৰি যোৱাৰ বাবে তেওঁ সকলোকে আহ্বান জনায়।

ooooooooo

ইৰাণৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম ৰাইছি আৰু বিদেশ মন্ত্ৰী হুছেইন আমিন আব্দুল্লাহিয়ানৰ স্মৃতিত আয়োজন কৰা বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ভাৰতৰ উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় কালি তেহৰাণত উপস্থিত হয়। তেহৰাণত উপস্থিত হোৱাৰ পাছত ইৰাণ কৰ্তৃপক্ষই তেওঁ আদৰণি জনায় আৰু ইয়াৰ পাছতেই তেওঁ প্ৰয়াত ৰাষ্ট্ৰপতি ড০ ছৈয়দ ইব্ৰাহিম ৰাইছি আৰু বিদেশ মন্ত্ৰী হুছেইন আমিন আব্দুল্লাহিয়ানৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰে। তেওঁ দেশখনৰ কাৰ্যকৰী ৰাষ্ট্ৰপতি মহম্মদ মোখবেৰৰ প্ৰতিও সমবেদনা জ্ঞাপন কৰে।

দুয়োগৰাকী প্ৰয়াত নেতাৰ অন্ত্যেষ্টিক্ৰিয়াৰ মূল শোভাযাত্ৰা কালি পুৱা তেহৰাণ বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ হৈছে। নিজৰ গৃহ চহৰ মাশ্বাদত আজি ৰাইছিক সমাধিস্থ কৰাৰ কথা আছে।

oooooooo

অসম চৰকাৰে প্ৰায় এহেজাৰ কোটি টকাৰ প্ৰত্যক্ষ মূল্যৰ প্ৰতিভূতি জমা বিক্ৰীৰ বাবে আগবঢ়াইছে। অহা ২৮ মে'ত নিৰ্দিষ্ট প্ৰপত্ৰৰ সহায়ত এই মূল্য উদ্ভুত নিলাম ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ক'ৰ বেংকিং ছলুচ্যনত অনুষ্ঠিত হ'ব। অধিক তথ্যৰ  বাবে ৰিজাৰ্ভ বেংকৰ ৱেবছাইটত আজি প্ৰকাশিত প্ৰেছ বিজ্ঞপ্তি চাব পাৰে।

ooooooo

শুৱালকুছিৰ বস্ত্ৰ শিল্পই সাম্প্ৰতিক সময়ত সন্মুখীন হোৱা সমস্যা সন্দৰ্ভত জনসাধাৰণক অৱগত কৰাৰ বাবে কালি শুৱালকুছিৰ তাঁত শিল্প উন্নয়ন সমিতিয়ে এখন সংবাদ মেলৰ আয়োজন কৰে। এই সংবাদমেলত বস্ত্ৰ শিল্পৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহৰ মূল্য বৃদ্ধিয়ে শিপিনীসকলৰ সমস্যাৰ সৃষ্টি কৰা বিষয়টোত আলোকপাত কৰা হয়। সংবাদমেলত শুৱালকুছিত থকা সূতা ভড়ালটো পৰিচালনাৰ দায়িত্ব শুৱালকুছি তাঁত শিল্প উন্নয়ন সমিতিক অৰ্পণ কৰাৰ বাবে চৰকাৰক আহ্বান জনোৱা হয়। একেদৰে হস্ততাঁত সুৰক্ষা আইন ১৯৮৫ সংশোধনৰ বাবেও সংবাদমেলত আহ্বান জনোৱা হয়। অনলাইন ব্যৱসায়ৰ নামত কেতবোৰ অসাধু ব্যৱসায়ীয়ে গ্ৰাহকক নিম্নমানৰ কাপোৰেৰে ঠগি অহা বিষয়টোও তেওঁলোকে প্ৰশাসনৰ দৃষ্টিগোচৰ কৰে।

oooooooo

যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ প্ৰেক্ষাগৃহত ২০১৬ চনৰ ৰিয়েল ইষ্টেট নিয়ন্ত্ৰণ আৰু উন্নয়ন আইন - ৰেৰাৰ সঠিক বাস্তৱায়ন আৰু ফলপ্ৰসূ ৰূপায়ণ সন্দৰ্ভত সংশ্লিষ্ট কৰ্তৃপক্ষসমূহৰ মাজত বিশেষ মত বিনিময় অনুষ্ঠান আয়োজিত হয়। যোৰহাট জিলা প্ৰশাসন তথা ৰিয়েল ইষ্টেট নিয়ন্ত্ৰণ কৰ্তৃপক্ষৰ উদ্যোগত আৰু বেংক অব্ বৰোদাৰ সহযোগত আয়োজিত অনুষ্ঠানত বেংকৰ বিষয়াসকল, গৃহ নিৰ্মাণৰ বাবে আগ্ৰহী মাটিৰ গৰাকীসকলৰ লগতে বিভিন্ন পক্ষৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত জিলা আয়ুক্তই কয় যে এই আইনৰ ফলপ্ৰসূ ৰূপায়ণৰ হকে সকলো পক্ষৰ মাজত সহায়-সহযোগিতাৰ প্ৰয়োজন। তেওঁ লগতে পৰস্পৰৰ উমৈহতীয়া লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে কাম কৰি ৰিয়েল ইষ্টেট খণ্ডটো অধিক স্বচ্ছ আৰু সুচল কৰি তোলাৰ হকে মত প্ৰকাশ কৰে। ৰেৰাৰ অধ্যক্ষ তথা ৰাজ্যৰ অৱসৰপ্ৰাপ্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰে আইনখনৰ বিভিন্ন দিশ সন্দৰ্ভত আলোকপাত কৰে। এই আইনখনৰ জৰিয়তে ৰিয়েল ইষ্টেট খণ্ডত বিনিয়োগ বৃদ্ধি হোৱাৰ লগতে স্বচ্ছতা আৰু দক্ষতাৰো বিকাশ হৈছে বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত ঋণ প্ৰক্ৰিয়াৰ সুচলতা, আইনখন সুচাৰুৰূপে ৰূপায়িত হোৱাৰ বাবে গ্ৰহণ কৰিবলগীয়া পদক্ষেপ, ৰেৰাৰ অধীনৰ প্ৰকল্প পৰিকল্পনা আৰু বিত্তীয় ব্যৱস্থাপনা উন্নতকৰণৰ হকে ল'বলগীয়া পদক্ষেপ, অভিযোগ নিৰাময় ব্যৱস্থা, আইনখনৰ আওঁতাৰ ভিতৰৰ সকলো পক্ষৰ অধিকাৰ আৰু দায়িত্বৰ বিষয়ে সজাগতা বৃদ্ধিকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০০০

লখিমপুৰৰ জিলা শিক্ষণ আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত কালি জিলা পৰ্যায়ৰ যোগ অলিম্পিয়াড অনুষ্ঠিত হয়। অনুষ্ঠানত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে। দুটা পৰ্যায়ত অনুষ্ঠিত এই প্ৰতিযোগিতাত শ্ৰেষ্ঠ বিবেচিত প্ৰতিযোগীসকলক ৰাজ্যিক পৰ্যায়ৰ যোগ অলিম্পিয়াডত অংশগ্ৰহণ কৰাৰ সুযোগ প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে এই প্ৰতিযোগিতা গুৱাহাটীত অনুষ্ঠিত হ'ব।

০০০০০০০০

ভাৰতীয় বায়ুসেনা বাহিনীয়ে অগ্নিবীৰ বায়ু মিউজিচিয়ান পদত নিযুক্তিৰ বাবে সংস্থাটোৰ ৱেবছাইটত জাননী জাৰি কৰিছে। agnipathvayu.cdac.in ৱেবছাইটত কালিৰে পৰা সংশ্লিষ্ট পদৰ বাবে পঞ্জীয়ন আৰম্ভ হৈছে। বিভাগটোৱে প্ৰকাশ কৰা অনুসৰি দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীসকলে বিজ্ঞাপনত উল্লেখ থকা অতিৰিক্ত যোগ্যতাসহ অহা ৫ জুন বা ইয়াৰ পূৰ্বে আবেদন কৰিব পাৰিব। ২০০৪ চনৰ ২ জানুৱাৰীৰ পৰা ২০০৭ চনৰ ২ জুলাইৰ ভিতৰত জন্ম হোৱা অবিবাহিত পুৰুষ আৰু মহিলা প্ৰাৰ্থীসকলে এই পদৰ বাবে অনুষ্ঠিত পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। অহা ৩ জুলাইৰ পৰা ১২ জুলাইলৈ কাণপুৰ আৰু বেংগালুৰুত এই পৰীক্ষা অনুষ্ঠিত হ'ব। এই পদৰ বাবে বাছনি প্ৰক্ৰিয়া তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'ব। ইতিমধ্যে ভাৰতীয় বায়ুসেনা বাহিনীয়ে চৰকাৰী ৱেব ছাইটত শিক্ষাগত অৰ্হতা, বৃত্তিগত অৰ্হতা তথা অন্যান্য তথ্য সামৰি যোগ্যতাৰ সবিশেষ আপলোড কৰিছে।

০০০০০০০০

ৰাজ্যত কালি আৰম্ভ হোৱা কনকলতা বৰুৱা ছিনিয়ৰ আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম দিনা গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত গুৱাহাটীয়ে ৰঙিয়াক ১০ উইকেটত পৰাস্ত কৰে। গোলাঘাটৰ ফৰকাটিং ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত ডিব্ৰুগড়ে গোলাঘাটক ১ উইকেটত পৰাস্ত কৰে। ইফালে, বৰপেটা পৌৰসভাৰ খেলপথাৰত অনুষ্ঠিত বৰপেটা মণ্ডলৰ খেলখনত বৰপেটাই নলবাৰীক ৫২ ৰানত পৰাস্ত কৰে। মৰিগাঁও জিলাৰ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত বোকাখাত জিলা ক্ৰীড়া সন্থাই মৰিগাঁও জিলা ক্ৰীড়া সন্থাক পৰাস্ত কৰে। কনকলতা বৰুৱা মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মঙলদৈ ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত তিনিচুকীয়া জিলা মহিলা দলৰ বিৰুদ্ধে লখিমপুৰ ১০ উইকেটত জয়ী হয়।

০০০০০০০০

ৰাজস্থান ৰয়েলছে যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলখনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক চাৰি উইকেটত পৰাস্ত কৰে। ৰয়েল চেলেঞ্জাৰ্ছ

বেংগালুৰুৰে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৭২ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে ১৯ অভাৰত ছটা উইকেট হেৰুৱাই ১৭৪ ৰাণ কৰে।

ৰাজস্থান ৰয়েলছে এতিয়া কাইলৈ হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। এই খেলখনত জয়লাভ কৰা দলটোৱে দেওবাৰে ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

লোকসভা নিৰ্বাচনৰ সময়ত ব্যৱসায় গোষ্ঠীয়ে বিভিন্ন বয়-বস্তুৰ দাম বৃদ্ধিৰে ৰাজনৈতিক দলক দিয়া ধন সুদে-মূলে আদায় কৰা এটা বাতৰি দৈনিক অসম কাকতে **ৰাজ্যত উঠি ৰজা-বহি ৰজা বণিক গোষ্ঠী** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**অসমীয়া প্ৰতিদিন কাকতে ২৫০ চিকিৎসকৰে চলিছে লাখ লাখ চাহ শ্ৰমিকৰ চিকিৎসা** শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটোত উজনি অসমৰ বিভিন্ন চাহ বাগিচাৰ শ্ৰমিকসকল কলেৰা, ডায়েৰীয়া আদি ৰোগত আক্ৰান্ত হোৱা খবৰ কাকতখনে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

বাংলাদেশৰ সাংসদ মহম্মদ আনোৱাৰুল আজিম আনাৰ কলকাতাত হত্যাৰ বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটোত উল্লেখ কৰা মতে চিকিৎসাৰ বাবে ভাৰতলৈ অহা সাংসদজন যোৱা ১৩ মে'ৰ পৰা সন্ধানহীন হৈ আছিল।

বটদ্ৰৱাত উচ্ছেদ কাণ্ড সংঘটিত কৰি ভুক্তভোগী পৰিয়ালক ন্যায়ালয়ৰ ৰোষত পৰি ৰাজকোষৰ পৰা চৰকাৰে ক্ষতিপূৰণ দিবলগীয়া হোৱা বাতৰিটোক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। কাকতখনে উল্লেখ কৰা অনুসৰি উচ্ছেদ কৰা পকীঘৰৰ বাবদ ১০ লাখ টকাকৈ আৰু কেঁচা ঘৰৰ বাবদ আঢ়ৈ লাখ টকাকৈ চৰকাৰে ক্ষতিপূৰণ দিব।

লখিমপুৰ জিলাৰ সোৱণশিৰি নদীৰ ঘাটত কোটিটকীয়া জাহাজ ডুব যোৱা বাতৰি অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দুৰ্ঘটনাটোত জাহাজখনত শুই থকা ১১ জন লোক কথমপি প্ৰাণ ৰক্ষা পৰিছে বুলি জানিব পৰা গৈছে।

প্ৰচণ্ড গ্ৰীষ্ম প্ৰবাহৰ শিক্ষাৰ্থীৰ স্বাস্থ্যৰ সুৰক্ষাক লৈ শিক্ষা বিভাগ তৎপৰ হোৱা খবৰটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। কামৰূপ মহানগৰৰ সকলো স্কুলত ছাত্ৰ-ছাত্ৰীয়ে দিনে ৩ বাৰকৈ বিশুদ্ধ খোৱাপানী পাব লাগিব বুলি শিক্ষা বিভাগে নিৰ্দেশ দিছে।

মেঘালয়ৰ খাচী পাহাৰত ডাইনʼছʼৰ জীৱাশ্ম উদ্ধাৰ হোৱা খবৰ দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। উল্লেখ্য যে উত্তৰ-পূবত প্ৰথমবাৰৰ বাবে উদ্ধাৰ হৈছে প্ৰাগ ঐতিহাসিক বৃহৎ আকাৰ প্ৰাণীৰ অস্তিত্ব আৰু ভাৰতীয় ভূ-তত্ব জৰীপৰ অধ্যয়নত এই তথ্য লাভ কৰা বুলি কাকতখনে প্ৰকাশ কৰিছে।

নলবাৰীৰ ষ্ট্ৰং ৰুমৰ নিৰাপত্তাক লৈ আসোঁৱাহৰ বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কামাখ্যা ক'ৰিডৰ প্ৰকল্পৰ বিষয়ত গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক শপতনামা দাখিলৰ নিৰ্দেশ দিয়া বাতৰিটোক দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – মহিলা চিকিৎসকক নিৰ্যাতনৰ অভিযোগত গোলাঘাটৰ কাৰাধ্যক্ষক গ্ৰেপ্তাৰ আৰক্ষীৰ, হাৰিয়ানাৰ দুৰ্বৃত্তৰ দলে নগাঁৱত অপহৰণ কৰিলে যুৱতীক, আজি দেশজুৰি পালন বুদ্ধ পূৰ্ণিমা আৰু হিট ষ্ট্ৰকত অসুস্থ হৈ চিকিৎসাধীন শ্বাহৰুখ খান ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

**সমাপ্ত**